**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 27-MAY-2026 **Time :** 1845HRS

***Assamese Evening Bulletin***
**HEADLINES (6.45 PM)**
**::::::::::::::::::**

১। বিধানসভাত উমৈহতীয়া দেৱানী বিধি বিধেয়ক ধবনি ভোটত গৃহীত।

২। ৰাজ্য চৰকাৰৰ সমগ্ৰ শিক্ষা অসমৰ ঠিকাভিত্তিক শিক্ষকক মুখ্যমন্ত্ৰী লোকসেৱা আৰোগ্য সেৱা যোজনাৰ অধীনলৈ অনাৰ সিদ্ধান্ত।

৩। অনুপ্ৰৱেশ আৰু জনগাঁথনিৰ অস্বাভাৱিক পৰিৱৰ্তন অসমৰ লগতে ৰাষ্ট্ৰীয় সুৰক্ষা, সাংস্কৃতিক পৰিচয় আৰু সামাজিক ভাৰসাম্য ৰক্ষাত প্ৰত্যাহ্বান হৈ পৰা বুলি মুখ্যমন্ত্ৰীৰ প্ৰকাশ।

৪। ৰাজ্যৰ বিভিন্ন জিলাত লোকপিয়ল ২০২৭ৰ প্ৰথম পৰ্যায়ৰ গৃহ তালিকা আৰু গৃহ পিয়ল সম্পৰ্কীয় প্ৰশিক্ষণ আৰম্ভ।

**আৰু**

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ প্ৰথমখন এলিমিনেটৰ খেলত আজি ছানৰাইজাৰ্ছ হায়দৰাবাদ আৰু ৰাজস্থান ৰয়েলছ মুখামুখি।

০০০০০০০

ষোড়শ অসম বিধানসভাৰ প্ৰথমখন অধিৱেশনৰ আজি অন্তিম দিনা বহুচৰ্চিত উমৈহতীয়া দেৱানী বিধি সম্পৰ্কীয় বিধেয়কখন ধবনি ভোটত গৃহীত হয়। ইয়াৰ পূৰ্বে বিধেয়কখন সন্তৰ্ভত হোৱা আলোচনাত অংশ লৈ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কয় যে উমৈহতীয়া দেৱানী বিধিৰ এটা সুদীৰ্ঘ ইতিহাস আছে। ভাৰতত ২০২৫ চনৰ পৰাই এই বিধি সন্দৰ্ভত কাম-কাজ অব্যাহত আছে। বহু বিবাহ সভ্য সমাজৰ প্ৰথা হ'বই নোৱাৰে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ধৰ্ম নিৰপেক্ষ দেশত সংবিধানৰ শাসনহে চলিব। সংবিধানৰ ৪৪ নম্বৰ অনুচ্ছেদ মৰ্মে উমৈহতীয়া দেৱানী বিধি বলৱৎ হ'ব বুলি প্ৰকাশ কৰি তেওঁ কয় যে এই বিষয়ত বিজেপি বা আৰ এছ এছৰ কোনো স্বাৰ্থ নাই। জনজাতীয় লোকৰ নিজস্ব নিয়ম আছে বুলি উল্লেখ কৰি ড০ শৰ্মাই কয় যে জনজাতীয় সমাজে বহু বিবাহক কেতিয়াও স্বীকৃতি নিদিয়ে আৰু সেয়েহে তেওঁলোকক উমৈহতীয়া দেৱানী বিধিৰ আওঁতাৰ বাহিৰত ৰখা হৈছে।

**(বাইট-১ ঃ চি এম)**

উমৈহতীয়া দেৱানী বিধিৰ জৰিয়তে সংখ্যালঘুৰ তোষণ বন্ধ হ'ব বুলি মুখ্যমন্ত্ৰীয়ে দৃঢ়তা প্ৰকাশ কৰে। তেওঁ কংগ্ৰেছ দলে বিশেষ ধৰ্মীয় গোষ্ঠীৰ স্বাৰ্থৰ হকে কাম কৰে বুলি অভিযোগ তোলে। ড০ শৰ্মাই

জনপ্ৰতিনিধিসকলক ধৰ্ম নিৰপক্ষতাৰ প্ৰতিনিধিত্ব কৰিবলৈ আহ্বান জনায়। তেওঁ কয়, যে উমৈহতীয়া দেৱানী বিধিয়ে বিবাহ আৰু বিচ্ছেদৰ দৰে বিষয়সমূহ নিয়ন্ত্ৰণ কৰিব। নিয়ন্ত্ৰণ কৰিবলগীয়া দিশসমূহৰ সবিশেষ প্ৰকাশ কৰি ড০ শৰ্মাই এইদৰে কয়-

**(ৰাইট-২ ঃ চি এম)**

শাসকীয় বিজেপি দলৰ বিধায়ক পীযুষ হাজৰিকাই বিতৰ্কত ভাগ লৈ ৰাষ্ট্ৰীয় সংহতি আৰু সমতাৰ বাবে বিধেয়কখন জৰুৰী বুলি মন্তব্য কৰে। একেদৰে শাসক পক্ষৰ হৈ বিশ্বজিৎ দৈমাৰীয়ে বিধেয়কখনৰ সপক্ষে যুক্তি দাঙি ধৰে।

বিধানসভাত বিৰোধী দলপতি ৰাজেদ আলী চৌধুৰীয়ে আলোচনাত ভাগ লৈ অসমত উমৈহতীয়া দেৱানী বিধিৰ প্ৰয়োজন নাই বুলি মন্তব্য কৰে।

উমৈহতীয়া দেৱানী বিধি বিধেয়কখন গৃহীত হোৱাৰ পাছত মুখ্যমন্ত্ৰী ড০ শৰ্মাই উত্তৰ লখিমপুৰ বিশ্ববিদ্যালয় (সংশোধনী) বিধেয়ক সদনৰ বিবেচনাৰ বাবে উত্থাপন কৰে।

০০০০০০০০০

ৰাজ্য চৰকাৰে সমগ্ৰ শিক্ষা অসমৰ ঠিকা ভিত্তিক শিক্ষক সকলক মুখ্যমন্ত্ৰী লোকসেৱা আৰোগ্য সেৱা যোজনাৰ অধীনলৈ অনাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। সমগ্ৰ শিক্ষা মিছন সঞ্চালক ওম প্ৰকাশে ঠিকা ভিত্তিক শিক্ষক সকলৰ বাবেও নগদ ধন বিহীন চিকিৎসা সুবিধা প্ৰদান সন্দৰ্ভত সকলো জিলাৰ মিছন সমন্বয়কলৈ আজি পত্ৰ প্ৰেৰণ কৰে। পত্ৰত উল্লেখ কৰা অনুসৰি মুখ্যমন্ত্ৰী লোকসেৱা আৰোগ্য যোজনাৰ অধীনত চিকিৎসা সেৱাৰ সুবিধা লোৱাৰ বাবে আগ্ৰহী শিক্ষক সকলৰ পৰা সন্মতি পত্ৰ লব লাগিব। একেদৰে শিক্ষক সকলেও আৰোগ্য যোজনাৰ অধীনত ধন কৰ্তনৰ বাবে অনুমতি দিব লাগিব। মিছন সঞ্চালত ওম প্ৰকাশে ১৫ জুনৰ ভিতৰত ঠিকা ভিত্তিক শিক্ষক সকলৰ পৰা এই যোজনাত অন্তভূৰ্তিৰ বাবে যাৱতীয় অনুমতি পত্ৰ সংগ্ৰহ কৰিবলৈ কৈছে।

০০০০০০

ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য্যই কৈছে যে, প্ৰযুক্তিৰ উত্তৰণ, কৃত্ৰিম বুদ্ধিমত্তা আৰু গোলকীয় প্ৰতিযোগিতাৰ এই যুগত শিক্ষাই শৈক্ষিক উৎকৰ্ষ সাধনৰ লগতে দক্ষতা, উদ্ভাৱন আৰু নৈতিক প্ৰমূল্যৰাজিত সমানে গুৰুত্ব আৰোপ কৰা উচিত। কটন বিশ্ববিদ্যালয়ৰ ১২৬ বছৰীয়া প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি আজি বিশ্ববিদ্যালয়খনৰ কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা প্ৰেক্ষাগৃহত বিশেষ অনুষ্ঠানত কৃতি ছাত্ৰ-ছাত্ৰীসকলক ৰাজ্যপালৰ উৎকৃষ্টতাৰ বঁটা প্ৰদান কৰি শ্ৰী আচাৰ্য্যই এইদৰে মন্তব্য কৰে। ২০৪৭ চনৰ ভিতৰত ভাৰতবৰ্ষক এখন বিকশিত ৰাষ্ট্ৰৰূপে গঢ়ি তোলাৰ দৃষ্টিভংগীৰ বিষয়ে উল্লেখ কৰি ৰাজ্যপালগৰাকীয়ে উন্নত আৰু আত্মনিৰ্ভৰ ৰাষ্ট্ৰ গঠনৰ এই প্ৰক্ৰিয়াত অসমৰ যুৱক-যুৱতীসকলে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি আস্থা প্ৰকাশ কৰে। তেওঁ কয় যে, কোনো এখন দেশৰ শক্তি ইয়াৰ যুৱ প্ৰজন্মৰ মাজত নিহিত হৈ থাকে আৰু তেওঁলোকৰ দৃঢ়তা-দূৰদৰ্শিতাই ৰাষ্ট্ৰ ভৱিষ্যত নিৰ্দ্ধাৰণ কৰে। তেওঁ শিক্ষাৰ্থীসকলক ডাঙৰ সপোন দেখিবলৈ, প্ৰত্যাহ্বানৰ সন্মুখীন হ'লে নিৰ্ভীক হৈ থাকিবলৈ আৰু সমাজ তথা ৰাষ্ট্ৰৰ সেৱাত নিজকে উৎসৰ্গা কৰিবলৈ আহ্বান জনায়।

অনুষ্ঠানত বিশিষ্ট শিক্ষাবিদ তথা অধ্যাপক সৌৰভ পালে বিশ্ববিদ্যালয়খনৰ ১২৬ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ বক্তৃতা দিয়ে।তেওঁ কৃত্ৰিম বুদ্ধিমত্তাৰ এই যুগত শিক্ষাৰ পৰিৱৰ্তনশীল পৰিকাঠামোৰ বিষয়ে উল্লেখ কৰে। তেওঁ লগতে কৃত্ৰিম বুদ্ধিমত্তাই কিদৰে শিক্ষাদান, গৱেষণা আৰু উচ্চ শিক্ষাৰ সামগ্ৰিক গাঁথনিক ন ৰূপত

গঢ় দিছে সেই বিষয়ে ভাষণত উল্লেখ কৰে। অনুষ্ঠানত কটন বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য অধ্যাপক ৰমেশ চন্দ্ৰ ডেকা, পঞ্জীয়ক ড০ হিৰেণ ডেকা, বিশ্ববিদ্যালয়খনৰ ভালেকেইগৰাকী অধ্যাপক-অধ্যাপিকা, বিশিষ্ট অতিথি আৰু ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে।

০০০০০০০

ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য্যই ঈদ-উল-জোহাৰ প্ৰাক সন্ধিয়া ৰাজ্যবাসী বিশেষকৈ ইচলাম ধৰ্মাৱলম্বী লোকসকলক ওলগ জনাইছে। ৰাজ্যপাল আৰ্চায্যই তেওঁৰ বাৰ্তাত কয় যে, ঈদ-উল-জোহাই ত্যাগ, কৰুণা, দয়া, আস্থা আৰু ভাতৃত্ববোধৰ শ্বাশ্বত প্ৰমূল্যৰাজিক প্ৰতিফলিত কৰে। তেওঁ লগতে সমাজৰ সকলো শ্ৰেণীৰ মাজত একতাৰ এনাজৰী সুদৃঢ় কৰি  শান্তি-সম্প্ৰতি আৰু পাৰস্পৰিক সন্মানৰ মনোভাৱেৰে এই উৎসৱ পালন কৰিবলৈ জনসাধাৰণৰ প্ৰতি আহ্বান জনায়।

এই পবিত্ৰ উৎসৱে এখন সৰ্বাত্মক আৰু মৰম ভালপোৱাৰে ভৰা সমাজ গঢ়াৰ বাবে সদিচ্ছা, সহিষ্ণুতা আৰু সমুহীয়া দায়িত্বৰ আৰ্দশৰাজি বৰ্তাই ৰাখিবলৈ সকলোকে অনুপ্ৰাণিত কৰিব বুলি ৰাজ্যপালগৰাকীয়ে আশা প্ৰকাশ কৰে। অসমৰ সম্প্ৰতি সদভাৱনা আৰু ভাতৃত্ববোধৰ চহকী ঐতিহ্য ৰাজ্যখনৰ মহান শক্তি বুলি অভিহিত কৰি  শ্ৰী আচাৰ্য্যই এই উৎসৱে ৰাজ্যৰ জনসাধাৰণৰ মাজত একতা আৰু বন্ধুত্বৰ এনাজৰী সুদৃঢ় কৰিব বুলি আশা প্ৰকাশ কৰে। দেশৰ বিভিন্ন অংশৰ লগতে অসমতো কাইলৈ ইছলাম ধৰ্মাৱলম্বী লোকসকলে উৎসাহ-উদ্দীপনাৰে পবিত্ৰ ঈদ-উজ্-জোহা পালন কৰিব। এই উৎসৱক ঈদ-অল–আধা বা ঈদ-উল-আজহা বুলিও কোৱা হয়।

০০০০০০০

অনুপ্ৰৱেশ আৰু জনগাঁথনিৰ অস্বাভাৱিক পৰিৱৰ্তন কেৱল অসমৰে সমস্যা হৈ থকা নাই বৰং ই ৰাষ্ট্ৰীয় সুৰক্ষা, সাংস্কৃতিক পৰিচয় আৰু সামাজিক ভাৰসাম্য ৰক্ষাৰ ক্ষেত্ৰত প্ৰত্যাহ্বানৰ বিষয় হৈ পৰা বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে ঘোষণা কৰা জনগাঁথনি পৰিৱৰ্তন সম্পৰ্কীয় উচ্চস্তৰীয় কমিটি গঠনৰ প্ৰতি আদৰণি জনাই ড০ শৰ্মাই আজি সামাজিক মাধ্যম যোগে এই সিদ্ধান্তক দূৰদৰ্শী আৰু নিৰ্ণায়ক পদক্ষেপ বুলি অভিহিত কৰে। তেওঁ কয় যে কমিটিয়ে জনগাঁথনিগত পৰিৰ্বতনৰ অধ্যয়ন কৰিব আৰু দৃঢ় সামাধান উলিয়াব। ইয়াৰ ফলত ৰাষ্ট্ৰীয় নিৰাপত্তা অধিক শক্তিশালী হ'ব বুলি তেওঁ মন্তব্য কৰে। তেওঁ লগতে অসমে দীৰ্ঘদিন ধৰি ভূগি থকা সমস্যা ৰোধৰ ক্ষেত্ৰত এই সিদ্ধান্তই সহায় কৰিব বুলি আশা প্ৰকাশ কৰে। উল্লেখযোগ্য যে কেন্দ্ৰীয় চৰকাৰে কালি জনবিন্যাসৰ পৰিৱৰ্তনে পেলোৱা প্ৰভাৱৰ পৰ্যালোচনাৰ লগতে অনুপ্ৰৱেশ ৰোধ কৰিবলৈ  এখন উচ্চস্তৰীয় কমিটি গঠন কৰে।

০০০০০০০

ৰাজ্যৰ বিভিন্ন জিলাত লোকপিয়ল ২০২৭ৰ প্ৰথম পৰ্যায়ৰ গৃহ তালিকা আৰু গৃহ পিয়ল সম্পৰ্কীয় প্ৰশিক্ষণ আৰম্ভ হৈছে।   শিৱসাগৰ জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত আজিৰে পৰা তিনিদিনীয়াকৈ এই প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত হৈছে। জিলা আয়ুক্ত তথা লোকপিয়ল বিষয়া মৃদুল যাদৱে মুকলি কৰা এই কাৰ্যসূচীত লোকপিয়ল সঞ্চালকালয়ৰ বিষয়াসকলে ভাৰপ্ৰাপ্ত বিষয়া, গণনাকাৰী বিষয়াসকলক প্ৰশিক্ষণ প্ৰদান কৰে।

মৰিগাঁও জিলাতো লোকপিয়লৰ প্ৰথম পৰ্যায়ৰ গৃহ তালিকা আৰু গৃহ পিয়ল সম্পৰ্কীয় জিলা পৰ্যায়ৰ প্ৰশিক্ষণ কাৰ্যসূচী আজি আৰম্ভ হৈছে। সমাগত লোকপিয়ল সুচাৰুৰূপে সম্পন্ন কৰাৰ উদ্দেশ্যে আয়োজিত এই প্ৰশিক্ষণ কাৰ্যসূচী ৩০ মে'লৈ চলিব। লোকপিয়ল পৰিচালনা সঞ্চালকালয়ৰ সহকাৰী সঞ্চালক সপ্তৰাজ দাস আৰু ডিপিএ দীপক বৰুৱা সমল ব্যক্তি হিচাপে উপস্থিত থাকে।

উল্লেখযোগ্য যে বিশ্বৰ সৰ্ববৃহৎ জনগণনা প্ৰক্ৰিয়া লোকপিয়ল-২০২৭ৰ অধীনত ৰাজ্যত অহা ২ আগষ্টত দুটা পৰ্যায়ত লোকপিয়ল আৰম্ভ হ'ব। ১৭ আগষ্টৰ পৰা গণনাকাৰী বিষয়াসকলে ঘৰে ঘৰে গৈ জনগণনা কৰিব। এই প্ৰক্ৰিয়া ১৫ ছেপ্তেম্বৰ পৰ্যন্ত চলিব। সমগ্ৰ প্ৰক্ৰিয়াটোৰ বাবে ৮৫ হাজাৰ গণনাকাৰী বিষয়া নিয়োগ কৰা হৈছে।

০০০০০০০০০

চৰাইদেউ জিলাৰ বৰহাটত অগ্নিবীৰৰ নিযুক্তিৰ বাবে আজি তৃতীয়টো প্ৰস্তুতি শিবিৰ অনুষ্ঠিত হয়। জিলাখনৰ পৰা অধিক সংখ্যক যুৱক-যুৱতীক সেনা বাহিনীৰ বিভিন্ন শাখাত নিযুক্তিৰ বাবে উপযুক্ত কৰি গঢ়ি তোলাৰ লক্ষ্যৰে এই শিবিৰৰ আয়োজন কৰা হয়। জিলা প্ৰশাসনৰ তত্বাৱধানত আয়োজিত এই শিবিৰত বিভিন্ন অঞ্চলৰ দুই শতাধিক যুৱক-যুৱতীয়ে অংশগ্ৰহণ কৰে। প্ৰাৰ্থীসকলক শাৰীৰিক আৰু মানসিকভাৱে প্ৰস্তুত কৰি তোলাৰ বাবে এই শিবিৰত তেওঁলোকক প্ৰাৰম্ভিক পৰীক্ষণসমূহ কৰোৱা হয়। জিলাখনত যোৱা ১১ মে'ত প্ৰথমটো প্ৰস্তুতি শিবিৰ আৰু ২০ মে'ত দ্বিতীয় শিবিৰ অনুষ্ঠিত হৈছিল। কাৰ্যসূচীত অংশ লৈ জিলা আয়ুক্ত ড০ নেহা যাদৱে সাংবাদিকৰ আগত এইদৰে কয়—

**বাইট (নেহা যাদৱ)**

০০০০০০০০

চৰাইদেউ জিলা আয়ুক্ত ড০ নেহা যাদৱৰ অধ্যক্ষতাত আজি জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত স্বাস্থ্য সমিতিৰ এখন পৰ্যালোচনা সভা অনুষ্ঠিত হয়। চৰাইদেউ জিলাৰ স্বাস্থ্য সেৱা ব্যৱস্থা অধিক শক্তিশালী কৰা আৰু বিভিন্ন গুৰুত্বপূৰ্ণ স্বাস্থ্য আঁচনিসমূহৰ অগ্ৰগতিৰ বুজ লোৱাৰ উদ্দেশ্যে এই সভাৰ আয়োজন কৰা হয়। সভাত জিলা আয়ুক্তই মাতৃ আৰু শিশুৰ স্বাস্থ্য সুৰক্ষিত ৰখাৰ উদ্দেশ্যে সন্তান জন্মৰ পূৰ্বৰ যতন বৃদ্ধি তথা প্ৰতিগৰাকী মহিলাই যাতে গুণগত মানৰ চিকিৎসা সেৱা লাভ কৰে সেয়া নিশ্চিত কৰিবলৈ স্বাস্থ্য বিভাগক নিৰ্দেশ দিয়ে। সভাত জিলাখনৰ স্বাস্থ্য খণ্ডৰ উন্নয়নৰ হকে নিয়মীয়া ছিটাকৰণ ব্যৱস্থা, ৰাষ্ট্ৰীয় কুষ্ঠৰোগ নিৰ্মূল কাৰ্যসূচী, চলিত এশদিনীয়া যক্ষ্মা নিৰ্মূল অভিযান, অসংক্ৰামক ৰোগ নিয়ন্ত্ৰণ কাৰ্যসূচী তথা বাহকজনিত ৰোগ প্ৰতিৰোধ ব্যৱস্থাৰ দৰে বিষয়সমূহত বিস্তৃতভাৱে আলোচনা কৰা হয়। জিলা আয়ুক্তই চৰকাৰী স্বাস্থ্য সেৱা আঁচনি আৰু বিনামূলীয়া সেৱাসমূহৰ বিষয়ে জনসাধাৰণক অৱগত কৰিবলৈ বিশেষকৈ গাঁও, চাহ বাগিচা অঞ্চল আৰু দুৰ্গম এলেকাসমূহত সজাগতা সভা অনুষ্ঠিত কৰাৰ বাবে সংশ্লিষ্ট বিষয়াসকলক আহ্বান জনায়।

০০০০০০০

অনুপ্ৰৱেশ আৰু জনগাঁথনিৰ অস্বাভাৱিক পৰিৱৰ্তন কেৱল অসমৰে সমস্যা হৈ থকা নাই বৰং ই ৰাষ্ট্ৰীয় সুৰক্ষা, সাংস্কৃতিক পৰিচয় আৰু সামাজিক ভাৰসাম্য ৰক্ষাৰ ক্ষেত্ৰত প্ৰত্যাহ্বানৰ বিষয় হৈ পৰা বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে ঘোষণা কৰা জনগাঁথনি পৰিৱৰ্তন সম্পৰ্কীয় উচ্চস্তৰীয় কমিটি গঠনৰ প্ৰতি আদৰণি জনাই ড০ শৰ্মাই আজি সামাজিক মাধ্যম যোগে এই সিদ্ধান্তক দূৰদৰ্শী

আৰু নিৰ্ণায়ক পদক্ষেপ বুলি অভিহিত কৰে। তেওঁ কয় যে কমিটিয়ে জনগাঁথনিগত পৰিৰ্বতনৰ অধ্যয়ন কৰিব আৰু দৃঢ় সামাধান উলিয়াব। ইয়াৰ ফলত ৰাষ্ট্ৰীয় নিৰাপত্তা অধিক শক্তিশালী হ'ব বুলি তেওঁ মন্তব্য কৰে। তেওঁ লগতে অসমে দীৰ্ঘদিন ধৰি ভূগি থকা সমস্যা ৰোধৰ ক্ষেত্ৰত এই সিদ্ধান্তই সহায় কৰিব বুলি আশা প্ৰকাশ কৰে। উল্লেখযোগ্য যে কেন্দ্ৰীয় চৰকাৰে কালি জনবিন্যাসৰ পৰিৰৰ্তনে পেলোৱা প্ৰভাৱৰ পৰ্যালোচনাৰ লগতে অনুপ্ৰৱেশ ৰোধ কৰিবলৈ  এখন উচ্চস্তৰীয় কমিটি গঠন কৰে।

০০০০০০০

গুৱাহাটী বিশ্ববিদ্যালয়ে ৪ বছৰীয়া স্নাতক পাঠ্যক্ৰম ৰূপায়ণৰ সৈতে জড়িত মাচুল গাঁথনি সন্দৰ্ভত উত্থাপিত কিছু বিষয়ৰ প্ৰতি লক্ষ্য ৰাখি নিজৰ স্থিতি স্পষ্ট কৰিছে। বিশ্ববিদ্যালয় চৌহদত আজি এখন সংবাদমেলৰ আয়োজন কৰি বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক ড০ উৎপল শৰ্মাই কয়, যে শেহতীয়াকৈ অসম কলেজ অধ্যক্ষ পৰিষদে মহাবিদ্যালয়সমূহে গুৱাহাটী বিশ্ববিদ্যালয়ক পৰিশোধ কৰিবলগীয়া মাচুল প্ৰায় ৪ গুণ বৃদ্ধি কৰা বুলি কৰা দাবী বাস্তৱসন্মত নহয়। পঞ্জীয়কগৰাকীয়ে কয়, যে ৪ বছৰীয়া স্নাতক পাঠ্যক্ৰমৰ অধীনত  চতুৰ্থ বৰ্ষ ৰূপায়ণৰ বাবে বিশেষ মানসম্পন্ন বিধি প্ৰকাশৰ সময়ত নতুনকৈ সংযোজিত চতুৰ্থ বৰ্ষৰ বাবে এককালীন অনুমতি মাচুলৰ ব্যৱস্থা ৰখা হৈছিল। এই ব্যৱস্থা নতুনকৈ সৃষ্টি কৰা নহয় বৰং পূৰ্বৰে পৰা প্ৰচলিত মাচুল গাঁথনি আৰু নীতিগত ধাৰাবাহিকতাৰ অংশ হিচাপেহে ইয়াক অন্তৰ্ভুক্ত কৰা হৈছে বুলি তেওঁ জানিবলৈ দিয়ে।

**ৰাইট (ড০ উৎপল শৰ্মা)**

০০০০০০০০

গ্ৰন্থপ্ৰেমী আৰু নৱপ্ৰজন্মৰ মাজত গ্ৰন্থ বিপণী আৰু পুথিভঁৰালৰ গুৰুত্ব উপলব্ধি কৰোৱাৰ লগতে ইয়াৰ সংৰক্ষণৰ উদ্দেশ্যে তেজপুৰ সাহিত্য সভা আৰু নগাঁৰৰ দা বুক নুক প্ৰতিষ্ঠানৰ উদ্যোগত ব্যতিক্ৰমী প্ৰচেষ্টা লোৱা হৈছে। এই অনুসৰি পুথিভঁৰালৰ গ্ৰন্থ সংগ্ৰহ আৰু সংৰক্ষণ বিষয়ক ভিডিঅ' ডকুমেনটেচন প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। এই প্ৰতিযোগিতাত দেশৰ অন্যান্য প্ৰান্তৰ লোকৰ উপৰি বিদেশত বাস কৰা লোকেও অংশগ্ৰহণ কৰিব পাৰিব। অংশগ্ৰহণকাৰীসকলে তেওঁলোকে বসবাস কৰা অঞ্চলৰ যিকোনো কিতাপৰ দোকান অথবা পুথিভঁৰালক লৈ এটা ২ মিনিটৰ ভিডিঅ' নিৰ্মাণ কৰি জমা দিব লাগিব। ভিডিঅ'টোত নিৰ্দিষ্ট প্ৰতিষ্ঠানটোৰ কিতাপ সংগ্ৰহৰ কাহিনী, চৰিত্ৰ আৰু ইয়াৰ সাংস্কৃতিক দিশসমূহ নথিভুক্ত হোৱাটো বাঞ্চনীয় বুলি উদ্যোক্তাসকলে জনাইছে। প্ৰতিযোগীসকলে tezpursahityasabha@gmail.com অথবা booknookng@gmail.com লৈ ভিডিঅ'সমূহ প্ৰেৰণ কৰিব পাৰিব। বিজয়ীসকলক নগদ ধনেৰে পুৰস্কৃত কৰা হ'ব।

০০০০০০০০০IPL/1715/27-05

আই পি এল ক্ৰিকেট প্ৰতিযোগিতা ত আজি মোহালিৰ নিউ চণ্ডীগড়ত  হবলগীয়া 'এলিমিনেটৰ' খেলখনত ছানৰাইজাৰ্চ হায়দৰাবাদ  ৰাজস্থান ৰয়েলছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। আজিৰ  খেলখনত জয়লাভ কৰা দলটোৱে ফাইনেলত প্ৰৱেশৰ বাবে দ্বিতীয়খন কোৱালিফায়াৰত গুজৰাট টাইটানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ইপিনে ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰুৱে যোৱা নিশা ধৰমশালাত অনুষ্ঠিত প্ৰথমখন কোৱালিফায়াৰত যোৱাবাৰৰ চেম্পিয়ন গুজৰাট টাইটানছক ৯২ ৰানত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰে।

সমাপ্ত